# শিকনৰ ফলাফলৰ ধূসৰ ক্ষেত্ৰসমূহৰ বিকাশ সাধনৰ বাবে প্ৰস্তুত কৰা মুক্ত শৈক্ষিক সমল

**শ্ৰেণী ঃ সপ্তম বিষয় ঃ ভাষা-১ (অসমীয়া) তৃতীয় সাময়িকী (আগষ্ট, চেপ্তেম্বৰ), ২০১৮ ইং**

**শিকনৰ ফলাফলৰ ধূসৰ ক্ষেত্ৰ (Grey Area) - লিখন কৌশল**
**(গুণোৎসৱৰ - ২০১৭ৰ ফলাফল অনুসৰি)**

**শিকন ফলাফলৰ উপক্ষেত্ৰ ঃ**

⇨ ছাত্ৰ-ছাত্ৰীয়ে দৈনন্দিন জীৱনত দেখি অহা বিভিন্ন ঘটনা, সমস্যা, দৈনন্দিন জীৱনৰ কাৰ্যাৱলী আদি বৰ্ণনা কৰি সাৱলীলভাৱে লিখনিৰ যোগেদি প্ৰকাশ কৰিব পৰা।

⇨ বিভিন্ন বিষয়বস্তু, পৰিৱেশ, পৰিস্থিতি পৰ্যৱেক্ষণ কৰি লাভ কৰা অভিজ্ঞতা আৰু পূৰ্বজ্ঞানৰ ওপৰত ভিত্তি কৰি নিজাববীয়াকৈ অনুচ্ছেদ, চমুটোকা, চুটি ৰচনা, চুটি সাধু আদি লিখা কৌশল আয়ত্ত কৰা।

**শৈক্ষিক দিনপঞ্জী অনুসৰি তৃতীয় সাময়িকী (আগষ্ট-ছেপ্তেম্বৰ) লৈকে জড়িত পাঠ্যপুথিৰ পাঠসমূহ ঃ**

| | | |
|---|---|---|
| ক) জতুৰাৰ জঁট | - | পাঠ নং ১১ |
| খ) পণ্ডিত আনন্দৰাম বৰুৱা | - | পাঠ নং ১২ |
| গ) সেউজী ধৰণী | - | পাঠ নং ১৩ |
| ঘ) ধূলিকণা মই | - | পাঠ নং ১৪ |

**পাতনি ঃ**

এই সমল সামগ্ৰীত "শিক্ষাৰ অধিকাৰ আইন ২০০৯" অনুসৰি জাতি, ধৰ্ম, বৰ্ণ, লিংগ আৰু বিশেষভাৱে সক্ষম শিশু নিৰ্বিশেষে সকলো শিশুৰ প্ৰতি সম আচৰণ দেখুওৱা আৰু সকলোৰে বাবে প্ৰাথমিক শিক্ষা বাধ্যতামূলক হোৱাটো নিশ্চিত কৰাৰ প্ৰতি দৃষ্টি ৰখা হৈছে।

আমি জানো যে ভাষা শিক্ষাৰ মুখ্য চাৰিটা কৌশল হ'ল - শ্ৰৱণ, কথন, পঠন আৰু লিখন। এই চাৰিটা কৌশলৰ ভিতৰত লিখন হৈছে জটিলতম কৌশল। কিয়নো লিখন কাৰ্যৰ সৈতে এক জটিল মানসিক প্ৰক্ৰিয়া জড়িত হৈ থাকে। লিখন হৈছে এনে এক ব্যৱস্থা য'ত মনৰ ভাব-অনুভূতি, চিন্তা, জীৱনৰ অভিজ্ঞতা, কল্পনা আদি ভাষাৰ দৃশ্যমান প্ৰতীক বা চিহ্নৰ প্ৰণালীবদ্ধ আৰু সৃষ্টিশীল ব্যৱহাৰৰ দ্বাৰা আনে বুজিব পৰা ধৰণে উপস্থাপন কৰা হয়।

দেখা যায় যে আমাৰ বিদ্যালয়সমূহৰ উচ্চ প্ৰাথমিক স্তৰৰ বেছিভাগ ছাত্ৰ-ছাত্ৰীয়ে নিজাববীয়াকৈ লিখিব নোৱাৰে। তেওঁলোকে কেৱল পাঠৰ প্ৰশ্নোত্তৰৰ বাহিৰে আনুসংগিক বিষয়বস্তু সম্পৰ্কে মনোগ্ৰাহীকৈ লিখিব নোৱাৰে। উদাহৰণস্বৰূপে, আমাৰ ছাত্ৰ-ছাত্ৰীসকলে কোনো এক বিষয় সম্পৰ্কে তেওঁলোকে জনা তথ্যসমূহো লিখিত ৰূপত দাঙি ধৰিব নোৱাৰে, দৈনন্দিন জীৱনত ঘটি থকা বিভিন্ন ঘটনা, সমস্যা দৈনন্দিন জীৱনৰ কাৰ্যাৱলী আদি সাৱলীলভাৱে লিখনিৰ মাজেৰে বৰ্ণনা কৰিব নোৱাৰে। ছাত্ৰ-ছাত্ৰীসকলৰ এনে দুৰ্বলতাসমূহ আঁতৰ কৰাটো শিক্ষন লক্ষ্যৰ অন্তৰ্ভূক্ত। প্ৰাথমিক পৰ্যায়তেই ছাত্ৰ-ছাত্ৰীসকলে স্বতন্ত্ৰ লিখনি লিখিব পৰাটো সম্ভৱ নহয় যদিও, শিক্ষকৰ নিৰ্দেশ, সহায় আৰু তত্বাবধানত চমু ৰচনা, দেখি বা শুনি অহা কোনো ঘটনাৰ বৰ্ণনা, চুটি সাধু, দৈনন্দিন জীৱনৰ কাৰ্যাৱলী সম্পৰ্কে একাদিক্ৰমে লিখিব পৰাটো বাঞ্ছনীয়। লিখনৰ যান্ত্ৰিক ৰূপটোৰ লগতে মানসিক আৰু বৌদ্ধিক দিশটোৰ সৈতেও ছাত্ৰ-ছাত্ৰীসকল এইটো স্তৰতে পৰিচিত হোৱাটো প্ৰয়োজন। লিখনৰ ক্ষেত্ৰত আন এক গুৰুত্ব দিবলগীয়া বিষয় হৈছে সুন্দৰ আৰু স্পষ্ট হাতৰ

আখৰ। স্পষ্ট, নিকা আৰু সুন্দৰ হাতৰ আখৰে এজন সংস্কৃতিবান ব্যক্তিৰ পৰিচয় বহন কৰে। ব্যক্তিৰ ব্যক্তিত্বৰ প্ৰকাশ লিখনিৰ যোগেদিয়েই ঘটে। সেয়েহে পাঠ্যপুথিত থকা ক্ৰিয়া-কলাপৰ বাহিৰে কিছু নতুন ক্ৰিয়া-কলাপ এই সমল সামগ্ৰীত অন্তৰ্ভূক্ত কৰা হৈছে। শিক্ষক-শিক্ষয়িত্ৰীয়ে এই সমল সামগ্ৰীৰ আধাৰত নতুন নতুন শিক্ষণ-শিকন প্ৰক্ৰিয়া উদ্ভাৱন কৰি তাক শ্ৰেণীকোঠাত ব্যৱহাৰ কৰি সুফল পাব বুলি আশা কৰা হৈছে।

**ওপৰত উল্লিখিত শিকনৰ ফলাফলসমূহৰ গুৰুত্ব অপৰিসীম ঃ**

ছাত্ৰ-ছাত্ৰীসকলে—

⇨ ব্যাকৰণৰ নীতি-নিয়ম প্ৰয়োগ কৰি লিখনৰ মান উন্নত কৰিব পাৰিব।

⇨ পাঠভিত্তিক প্ৰশ্নৰ উত্তৰ লিখোঁতে নিজাকৈ বাক্য সাজি লিখিব পাৰিব।

⇨ পৰস্পৰ সংগতি থকা বাক্যবোৰৰ ক্ৰম ৰক্ষা কৰি দফা বা অনুচ্ছেদ লিখিব পাৰিব।

⇨ সৃজনীশীল লেখাৰ জৰিয়তে নিজৰ সুপ্ত প্ৰতিভা বিকাশ কৰাৰ দক্ষতা আহৰণ কৰিব।

⇨ লিখনৰ দ্ৰুততা বঢ়াব পাৰিব।

**লিখন কৌশল বিকাশৰ ব্যৱস্থাৱলী ঃ**

⇨ এই সমল সামগ্ৰী অধ্যয়ন কৰি আমি স্বতন্ত্ৰ লিখন কৌশল বিকাশৰ বাবে উপযুক্ত কাৰ্যকৰী পদক্ষেপ গ্ৰহণ কৰিব পাৰিম।

⇨ ক্ৰিয়া-কলাপ, অনুশীলনীৰ পৰিকল্পনা কৰিব পাৰিম।

⇨ ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক অগ্ৰগতিৰ মান নিৰূপণ কৰিব পাৰিম।

⇨ ভাল হাতৰ আখৰৰ গুৰুত্ব আৰু প্ৰয়োজনীয়তা অনুধাৱন কৰিব পাৰিম।

**শিক্ষক হিচাপে আমি এই সমল সামগ্ৰীৰ পৰা কি শিকিব পাৰিম ঃ**

এই সমল সামগ্ৰী অধ্যয়নৰ যোগেদি আমি ছাত্ৰ-ছাত্ৰীৰ স্বতন্ত্ৰ লিখন কৌশল বিকাশৰ বাবে কিছুমান ক্ৰিয়া-কলাপৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীক জড়িত কৰাব পাৰিম।

⇨ ছাত্ৰ-ছাত্ৰীক জড়িত কৰাৰ বাবে পৰিৱেশ সৃষ্টি কৰি দিব পাৰিম।

⇨ ছাত্ৰ-ছাত্ৰীৰ স্বতন্ত্ৰ লিখন কৌশল বিকাশৰ বাবে নতুন নতুন ক্ৰিয়া-কলাপ পৰিকল্পনা কৰিব পাৰিম।

⇨ লিখনৰ ক্ষেত্ৰত থকা দুৰ্বলতাসমূহ চিনাক্ত কৰিব পাৰিম আৰু দুৰ্বলতা দূৰীকৰণৰ বাবে ব্যৱস্থা ল'ব পাৰিম।

⇨ অভ্যাস আৰু অনুশীলনৰ যোগেদি ছাত্ৰ-ছাত্ৰীৰ লিখন সবলীকৰণ কৰিব পাৰিম।

**এই সমল সামগ্ৰীত ছাত্ৰ-ছাত্ৰীৰ সৈতে কৰিবলগীয়া শিক্ষণ-শিকন প্ৰক্ৰিয়াৰ এটা আৰ্হিমূলক ৰূপৰেখা তলত উপস্থাপন কৰা হ'ল -**

| শিকনৰ ফলাফল | সামগ্ৰী | শিকন প্ৰক্ৰিয়া | প্ৰশ্নাৱলী | মূল্যায়ন |
|---|---|---|---|---|
| ক) দৈনন্দিন জীৱনত দেখি অহা ঘটনা, সমস্যা, কাৰ্যাৱলী আদি বৰ্ণনা কৰি সাৱলীলভাৱে লিখিব পাৰিব। | ব্লেক বোৰ্ড, চক, ডাষ্টাৰ আদি | ক্ৰিয়া-কলাপ। | ক) তুমি ৰাতিপুৱা শুই উঠাৰ পৰা বিদ্যালয়লৈ অহালৈকে কি কি কৰিলা লিখা।<br>খ) তুমি বিদ্যালয়লৈ আহোঁতে বাটত কি কি দেখিলা সেইবোৰ ক্ৰম অনুসাৰে লিখা। | **অবিৰত আৰু সামগ্ৰিক মূল্যায়ন** |

| শিকনৰ ফলাফল | সামগ্ৰী | শিকন প্ৰক্ৰিয়া | প্ৰশ্নাৱলী | মূল্যায়ন |
|---|---|---|---|---|
| খ)বিভিন্ন বিষয়বস্তু, পৰিৱেশ পৰিস্থিতি পৰ্যৱেক্ষণৰ যোগেদি লাভ কৰা অভিজ্ঞতাৰ আৰু পূৰ্বজ্ঞানৰ আধাৰত নিজাববীয়াকৈ চুটি ৰচনা, অনুচ্ছেদ, চমুটোকা, চুটি সাধু আদি লিখা কৌশল আয়ত্ত কৰা | ব্লেক বোৰ্ড, চক, বাক্য লিখা সৰু কাৰ্ড | ক্ৰিয়া-কলাপ দলগত বা যুৰীয়া বা ব্যক্তিগত | ক) তলত অগা-পিছাকৈ দিয়া বাক্যবোৰ অৰ্থ সংগতি অনুসাৰে ভালদৰে সজাই লিখা—"এটা শিয়ালে গছজোপাৰ তলত বহি ওপৰৰ পৰা মাছ পৰালৈ বৈ থাকে। বিলৰ পৰা মাছ ধৰি আনি বগলীটোৱে গছৰ ডালত বহি খায়। কেতিয়াবা পায়, কেতিয়াবা নাপায়। কেতিয়াবা তাৰ মুখৰ পৰা মাছ এটা পৰি যায়। এসময়ত হাবিৰ ওচৰতে থকা এখন বিলত এটা বগলী চৰি ফুৰিছিল; তাৰ ওচৰৰ গছতে সি বাহ সাজি আছিল। বগলী সন্মত হ'ল। সেয়েহে সি বগলীটোৰ লগত সখি পাতিবলৈ বুলি প্ৰস্তাৱ দিলে।"<br>খ) বাক্য কাৰ্ডসমূহত দিয়া বাক্যবোৰৰ লগত সংগতি ৰাখি নিজাববীয়াকৈ অতি কমেও পাঁচটা বাক্য সাজি এটা অনুচ্ছেদ গঠন কৰা-<br>***(সেইদিনা ধাৰাসাৰ বৰষুণ দি আছিল। মই আৰু কমল বিদ্যালয়লৈ আহি আছিলোঁ কাৰ্ড নং- ১)***<br>***(সেইদিনা আছিল জোনাক ৰাতি। দেউতা আৰু মই চোতালত বহি আছিলোঁ। কাৰ্ড নং- ২)***<br>***(গৰমৰ বন্ধত মই মামাৰ ঘৰলৈ যাওঁ। মামাহঁতৰ বাৰীখন বিভিন্ন ফল-মূলৰ গছেৰে ভৰা। কাৰ্ড নং- ৩*** | অবিৰত আৰু সামগ্ৰিক মূল্যায়ন |

**ক্ষেত্ৰ অধ্যয়ন (Case Study)ঃ**

বাক্সা জিলাৰ এখন উচ্চ প্ৰাথমিক বিদ্যালয়ৰ শিক্ষক যতীন বড়োৱে সপ্তম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলৰ লিখন দক্ষতা পৰীক্ষা কৰিবলৈ তেওঁলোকক এটা ক্ৰিয়া-কলাপত জড়িত কৰিলে। তেওঁ ছাত্ৰ-ছাত্ৰীসকলে ৰাতিপুৱা শুই উঠাৰ পৰা বিদ্যালয়লৈ অহাৰ সময়লৈকে কি কি কাৰ্য কৰিলে সেইবোৰ দহটামান বাক্যৰ ভিতৰত বৰ্ণনা কৰি লিখিবলৈ দিলে।

শিক্ষকৰ নিৰ্দেশনা অনুসৰি ছাত্ৰ-ছাত্ৰীসকলে 'শুই উঠাৰ পৰা বিদ্যালয়লৈ অহালৈকে' তেওঁলোকে কৰা কামবোৰৰ বৰ্ণনা দিয়াৰ চেষ্টা কৰিলে। শিক্ষক যতীন বড়োৱে মন কৰিলে যে ছাত্ৰ-ছাত্ৰীসকলে দহটা বাক্য লিখিছে, কিন্তু বাক্যবোৰ একাদিক্ৰমে আৰু সাৱলীলভাবে লিখিব পৰা নাই। বেছিভাগ ছাত্ৰ-ছাত্ৰীয়েই আগত কৰা আৰু পাছত কৰা কামৰ ক্ৰম ৰক্ষা কৰি লিখিব পৰা নাই। তদুপৰি তেওঁলোকৰ বাক্যৰ গাঁঠনি সঠিক হোৱা নাই। বেছিভাগ ছাত্ৰ-ছাত্ৰীয়ে লিখা বাক্যসমূহ আছিল এনেধৰণৰ —

"মই ৰাতিপুৱা উঠি গা ধুলোঁ। ভাত খালোঁ। পথাৰলৈ চাহ-জলপান নিলোঁ। দাঁত ঘঁহিলো। বিদ্যালয়ৰ ইউনিফৰ্ম পিন্ধিলোঁ। ছাৰে দিয়া গৃহকাৰ্য কৰিলোঁ ..........................।"

ছাত্ৰ-ছাত্ৰীসকলৰ লিখনৰ এনে দুৰ্বলতা দেখি বড়ো ছাৰ বৰ চিন্তাত পৰিলে। তেওঁ ছাত্ৰ-ছাত্ৰীসকলক সাৱলীলভাৱে আৰু একাদিক্ৰমে কাৰ্য বা ঘটনাৰ বিৱৰণী লিখিবলৈ দিয়াৰ বেলেগ পদ্ধতি অৱলম্বন কৰিলে।

**প্ৰস্তুতি ঃ**

যতীন বড়োছাৰে ছাত্ৰ-ছাত্ৰীসকলক ৰাতিপুৱা শুই উঠাৰ পৰা বিদ্যালয়লৈ অহালৈকে কৰা কামবোৰ প্ৰথমৰ পৰা শেষলৈ একাদিক্ৰমে কৈ যাবলৈ দিলে আৰু তেওঁ নিজে ব্লেকবোৰ্ডত এনেদৰে লিখি গ'ল —

— দাঁত ঘহিলোঁ।

⇨ পুৱা শোৱাৰ পৰা উঠি দাঁত ঘঁহিলো। মুখ ধুলোঁ।

⇨ চাহ-জলপান খালোঁ।

⇨ পঢ়িবলৈ বহিলোঁ।

⇨ গৃহকাৰ্য কৰিলোঁ।

⇨ বেগত কিতাপ-বহীবোৰ ভৰালোঁ।

⇨ পথাৰলৈ চাহ-জলপান দিবলৈ গ'লোঁ।

⇨ পথাৰৰ পৰা আহিলোঁ।

⇨ গা ধুলোঁ।

⇨ ইউনিফৰ্ম পিন্ধিলোঁ।

⇨ ভাত খালোঁ।

⇨ খোজকাঢ়ি বা চাইকেলেৰে বিদ্যালয়লৈ আহিলোঁ।

এনেদৰে ক্ৰমান্বয়ে লিখাৰ পিছত ছাত্ৰ-ছাত্ৰীসকলক বোৰ্ডত লিখা কথাখিনি একাদিক্ৰমে পঢ়িবলৈ ক'লে। ছাত্ৰ-ছাত্ৰীসকলে বোৰ্ডত চাই চাই তেওঁলোকে কৰা কাৰ্যসমূহ পুনৰবাৰ একাদিক্ৰমে পঢ়িলে। এনেদৰে পঢ়াৰ ফলস্বৰূপে তেওঁলোকৰ আগত কৰা আৰু পাছত কৰা কামবোৰ যে ক্ৰম অনুসৰি বৰ্ণনা কৰিব লাগে সেই সম্পৰ্কে স্পষ্ট ধাৰণা গঠন হ'ল।

যতীন বড়োছাৰে ছাত্ৰ-ছাত্ৰীসকলক উদাহৰণ সহকাৰে বুজাই দিলে যে এনেধৰণৰ বৰ্ণনামূলক লিখনি লিখোঁতে সদায় ক্ৰম অনুসৰি লিখিব লাগে। বাক্যবোৰ শুনিবলৈ শুৱলা হোৱাকৈ লিখা উচিত আৰু তাৰ বাবে আমি দুটা বা ততোধিক বাক্য লগ লগাই লিখিব পাৰোঁ। বাক্যবোৰ একেবাৰে চুটি বা অত্যন্ত দীঘল হোৱা অনুচিত। ছাত্ৰ-ছাত্ৰীসকলৰ ধাৰণা স্পষ্ট কৰিবলৈ বড়োছাৰে কেইটিমান শাৰী বোৰ্ডত লিখি দেখুৱালে—
"ৰাতিপুৱা শুই উঠি মই দাঁত ঘঁহি, মুখ-হাত ধুই উঠি চাহ-জলপান খালোঁ। তাৰ পাছত পঢ়িবলৈ কিতাপ বহী উলিয়াই ল'লোঁ আৰু ছাৰে দিয়া গৃহকাৰ্য কৰিলোঁ। পঢ়ি উঠি কিতাপ বহীবোৰ বেগত ভৰালোঁ। পথাৰত চাহ-জলপান দি আহি গা ধুলোঁ।"

এনেদৰে বুজাই দিয়াৰ পাছত বড়োছাৰে ছাত্ৰ-ছাত্ৰীসকলক পুনৰ লিখিবলৈ দিলে আৰু এইবাৰ তেওঁলোকে ভালদৰে লিখিবলৈ সক্ষম হ'ল। দৃঢ়ীকৰণৰ বাবে ছাত্ৰ-ছাত্ৰীসকলক বিদ্যালয়ৰ পৰা যোৱাৰ পিছৰ পৰা ৰাতি শোৱালৈকে কৰা কাৰ্যবিৱৰণী লিখিবলৈ দিলে। বড়োছাৰে মন কৰিলে যে এই সমগ্ৰ প্ৰক্ৰিয়াটোৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীসকলে ক্ৰম অনুসৰি বৰ্ণনা লিখাত সক্ষম হৈছে আৰু বাক্য গাঁঠনিও যথেষ্ট উন্নত হৈছিল।

***বিঃদ্ৰঃ - যতীন বড়োছাৰে শ্ৰেণীকোঠাত থকা বিশেষভাৱে সক্ষম ছাত্ৰ-ছাত্ৰীসকলক বিশেষ গুৰুত্ব দিছিল। বড়োছাৰে ছাত্ৰ-ছাত্ৰীসকলৰ হাতৰ আখৰ সুন্দৰকৈ লিখাৰ ক্ষেত্ৰতো বিশেষ গুৰুত্ব প্ৰদান কৰিছিল।***

**চিন্তা কৰি চাওঁ আহক—**

⇨ ছাত্ৰ-ছাত্ৰীসকলক বাক্যবোৰ শুৱলাকৈ লিখিবলৈ শিকাবলৈ যতীন বড়োছাৰে কি পদক্ষেপ ল'লে?

⇨ একাদিক্ৰমে কাৰ্য বিৱৰণী লিখিবলৈ বড়োছাৰে ছাত্ৰ-ছাত্ৰীসকলক কেনেদৰে শিকালে?

⇨ ছাত্ৰ-ছাত্ৰীৰ বৰ্ণনামূলক লিখন কৌশলৰ বিকাশ সাধন কৰিবলৈ আমি আৰু কি কি উদ্ভাৱনীমূলক ক্ৰিয়া-কলাপ পৰিকল্পনা কৰিব পাৰোঁ?

**ক্ৰিয়া-কলাপ - ১**

সপ্তম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলে সাৱলীলভাৱে আৰু ক্ৰম অনুসৰি বাক্য লিখি একোটা অনুচ্ছেদ গঠন কৰিব পৰাটো বাঞ্ছনীয়। অনুচ্ছেদ গঠনৰ আভাস দিবলৈ আৰু পৰস্পৰ সম্পৰ্কিত বাক্যৰ ক্ৰম সজাৰ ধাৰণা দিবলৈ এনেধৰণৰ ক্ৰিয়া-কলাপ কৰিব পাৰি নেকি চাওঁ আহক—

**প্ৰস্তুতিঃ**

শিক্ষকে যিকোনো গল্প, সাধু বা পাঠ্যপুথিৰ অন্তৰ্গত কোনো এটা পাঠৰ পৰা এটা অনুচ্ছেদৰ বাক্যবোৰ অগা পিছাকৈ, খেলি-মেলিকৈ ব্লেকবৰ্ডত এনেদৰে লিখি দিব -

"এটা শিয়ালে গছজোপাৰ তলত বহি ওপৰৰ পৰা মাছ পৰালৈ ৰৈ থাকে। বিলৰ পৰা মাছ ধৰি আনি বগলীটোৱে গছৰ ডালত বহি খায়, কেতিয়াবা তাৰ মুখৰ পৰা মাছ এটা পৰি যায়। কেতিয়াবা পায়, কেতিয়াবা নাপায়। এসময়ত হাবিৰ ওচৰতে থকা এখন বিলত এটা বগলী চৰি ফুৰিছিল, তাৰ ওচৰৰ গছতে সি বাহ সাজি আছিল। বগলী সন্মত হ'ল। সেয়েহে সি বগলীটোৰ লগত সখি পাতিবলৈ বুলি প্ৰস্তাৱ দিলে।"

এনেদৰে লিখি দিয়াৰ পিছত শিক্ষকে ছাত্ৰ-ছাত্ৰীসকলক চাৰি-পাঁচজনকৈ দলত ভাগ কৰি দিব। প্ৰতিটো দলকে কাৰ্ডত লিখি দিয়া বাক্যসমূহ পঠন কৰিবলৈ দিব। ইয়াৰ পাছত দলীয়ভাৱে আলোচনা কৰি ছাত্ৰ-ছাত্ৰীসকলক বাক্যবোৰৰ মাজত থকা সংগতি বিচাৰি উলিয়াবলৈ দিব। বাক্যবোৰৰ মাজত থকা সংগতি বিচাৰি উলিয়াবলৈ সক্ষম হোৱাৰ পিছত শিক্ষকে ছাত্ৰ-ছাত্ৰীসকলক বাক্যবোৰ ক্ৰম অনুসৰি শব্দৰ বিলুপ্তি বা সংযোজন কৰি সজাবলৈ নিৰ্দেশনা প্ৰদান কৰিব।

ছাত্ৰ-ছাত্ৰীসকলে দলীয়ভাৱে আলোচনা কৰি ক্ৰম অনুসৰি বাক্যবোৰ সজোৱাৰ চেষ্টা কৰিব। এনেদৰে দলীয় আলোচনাৰ মাধ্যমেৰে প্ৰতিজন ছাত্ৰ-ছাত্ৰীয়ে বাক্যৰ মাজত থকা সংগতি বুজি পাব। এনেধৰণৰ অনুচ্ছেদ লিখনৰ অভ্যাসৰ যোগেদি ছাত্ৰ-ছাত্ৰীক চুটি সাধু বা গল্প লিখিবলৈ উৎসাহিত কৰিব পাৰিব। সাৱলীলভাৱে আৰু সংগতিপূৰ্ণভাৱে বাক্য লিখাৰ কৌশল আয়ত্ত কৰিব পাৰিলে ছাত্ৰ-ছাত্ৰীসকলে সৃজনীমূলক লিখনি লিখিবলৈ সক্ষম হ'ব।

**এই ক্ৰিয়া-কলাপটোত—**

- ⇨ প্ৰতিজন ছাত্ৰ-ছাত্ৰীৰে বাক্যসমূহৰ অৰ্থ বোধগম্য হৈছে।
- ⇨ বাক্যসমূহৰ মাজত থকা সংগতি নিৰ্ধাৰণ কৰিব পাৰিছে।
- ⇨ দলীয় আলোচনাৰ মাধ্যমেৰে ক্ৰম অনুসৰি বাক্যবোৰ সজাবলৈ সক্ষম হৈছে।
- ⇨ ক্ৰিয়া-কলাপটোৰ মাধ্যমেৰে ছাত্ৰ-ছাত্ৰীসকলৰ স্ব-মূল্যায়ন হৈছে।

***বিঃদ্ৰঃ - শিক্ষকে শ্ৰেণীকোঠাত থকা বিশেষভাৱে সক্ষম ছাত্ৰ-ছাত্ৰীৰ প্ৰতি বিশেষ গুৰুত্ব প্ৰদান কৰিব ।***

**ক্ৰিয়া-কলাপ - ২**

**প্ৰস্তুতি ঃ**

এই ক্ৰিয়া-কলাপটো শ্ৰেণীকোঠাত কৰোঁৱাৰ আগতে শিক্ষকে কিছুমান বাক্য লিখা কাৰ্ড তৈয়াৰ কৰি ল'ব লাগিব।

কাৰ্ডসমূহ এনেধৰণৰ—

কাৰ্ড নং ১ — সেইদিনা ধাৰাসাৰ বৰষুণ দি আছিল। মই আৰু কমল বিদ্যালয়লৈ আহি আছিলোঁ।

কাৰ্ড নং ২ — সেইদিনা আছিল জোনাক ৰাতি। মই আৰু দেউতা চোতালত বহি আছিলোঁ।

কাৰ্ড নং ৩— গৰমৰ বন্ধত মই মামাহঁতৰ ঘৰলৈ ফুৰিবলৈ গৈছিলোঁ। মামাহঁতৰ বাৰীখন বিভিন্ন ফল-মূলৰ গছেৰে ভৰা।

**বিৱৰণ ঃ** শিক্ষকে প্ৰথমতে ছাত্ৰ-ছাত্ৰীসকলক তিনি বা চাৰিজনীয়া দলত ভাগ কৰি প্ৰতিটো দলকে তেওঁ লগত লৈ অহা বাক্য লিখা কাৰ্ড একোখনকৈ দিব। দলৰ প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীকে কাৰ্ডত লিখা বাক্য দুশাৰী পঢ়িবলৈ দিব। বাক্যকেইটা পঢ়াৰ পিছত ছাত্ৰ-ছাত্ৰীসকলৰ মনলৈ কি কি ভাব আহিছে শিক্ষকে প্ৰত্যেককে ক'বলৈ অনুপ্ৰাণিত কৰিব।

ছাত্ৰ-ছাত্ৰীসকলে নিজৰ মনৰ ভাব প্ৰকাশ কৰাৰ পিছত শিক্ষকে দলৰ প্ৰতিজন ছাত্ৰ-ছাত্ৰীকে তেওঁলোকে

লাভ কৰা কাৰ্ডখনত লিখি ৰখা বাক্যদুটিৰ লগত নিজ নিজ অভিজ্ঞতা আৰু পৰ্যৱেক্ষণৰ ওপৰত ভিত্তি কৰি আৰু পাঁচটিকৈ বাক্য সংযোগ কৰি লিখিবলৈ নিৰ্দেশনা দিব।

ছাত্ৰ-ছাত্ৰীসকলে দলীয়ভাৱে আলোচনা কৰি আৰু নিজৰ পূৰ্ব অভিজ্ঞতা আৰু পৰ্যৱেক্ষণৰ ওপৰত ভিত্তি কৰি কাৰ্ডত থকা বাক্যবোৰৰ লগত নিজাববীয়াকৈ বাক্য সংযোগ কৰিব। বাক্যবোৰৰ মাজত সংগতি আৰু ক্ৰম ৰক্ষা কৰি লিখিবলৈ যত্ন কৰিব। প্ৰয়োজন সাপেক্ষে দলৰ অন্য সদস্যসকলৰ পৰা সহায় বিচাৰিব। এনে ক্ৰিয়া-কলাপৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীসকলৰ কল্পনাপ্ৰৱনতা বাঢ়িব সৃজনীশীল প্ৰতিভাৰ বিকাশ সাধিত হ'ব। তেওঁলোকে নিজৰ মনলৈ অহা ভাৱ অনুভূতিসমূহ সাৱলীলভাৱে লিখাৰ কৌশল আয়ত্ত কৰিব। অন্যান্য সৃজনীশীল লিখনি লিখাৰ প্ৰতি ছাত্ৰ-ছাত্ৰীসকল আগ্ৰহী হ'ব।

এই ক্ৰিয়া-কলাপটোৰ জৰিয়তে -

- ⇨ ছাত্ৰ-ছাত্ৰীসকলে নিজাববীয়াকৈ বাক্য সাজিব পাৰিছে।
- ⇨ নিজ মনৰ ভাব-অনুভূতিবোৰ জুকিয়াই লিখিব পাৰিছে।
- ⇨ সংগতি আৰু ক্ৰম ৰক্ষা কৰি বাক্য সংযোগ কৰিব পাৰিছে।
- ⇨ ছাত্ৰ-ছাত্ৰীসকলৰ সৃজনীশীল প্ৰতিভাৰ বিকাশ সাধন হৈছে।
- ⇨ ছাত্ৰ-ছাত্ৰীসকলৰ স্ব-মূল্যায়ন হৈছে।

**সাৰাংশঃ**

বিভিন্ন ধৰণৰ ক্ৰিয়া-কলাপ আৰু পৰ্যাপ্ত অনুশীলনৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীৰ লিখনৰ ক্ষেত্ৰত থকা দুৰ্বলতা সমূহ দূৰ কৰিব পাৰিছে। ছাত্ৰ-ছাত্ৰীয়ে দৈনন্দিন জীৱনত দেখি অহা বিভিন্ন ঘটনাৱলী, কাহিনী, বিভিন্ন বিষয়বস্তু স্বাভাৱিক ক্ৰমত লিখিবলৈ হ'লে উপযুক্ত শব্দ, বাক্য-গাঁথনি, ভাষাৰ শুদ্ধতা আদি দিশৰ ওপৰতো গুৰুত্ব দিব লাগিব। যতীন বড়োছাৰে ছাত্ৰ-ছাত্ৰীসকলৰ বিৰক্তিবোধ নোহোৱাকৈ লিখনৰ ক্ষেত্ৰত থকা দুৰ্বলতা দূৰ কৰাবলৈ বিভিন্ন ক্ৰিয়া-কলাপ আৰু অনুশীলনৰ জৰিয়তে সফল হৈছে আৰু তেওঁলোকক সৃজনীশীল লিখনিৰ প্ৰতি আগ্ৰহ বৃদ্ধি কৰিবলৈ সক্ষম হৈছে।

**দৃঢ়ীকৰণ ঃ**

ছাত্ৰ-ছাত্ৰীসকলৰ লিখন কৌশল দৃঢ়ীকৰণৰ বাবে তলত দিয়া প্ৰশ্নসমূহ কৰি চাওঁ আহক—

- ⇨ তোমাৰ প্ৰিয় উৎসৱ এটিৰ বিষয়ে চমুকৈ লিখা।
- ⇨ 'সেউজী ধৰণী' পাঠটো পঢ়ি তলৰ প্ৰশ্নবোৰৰ উত্তৰ লিখা।
- ⇨ গছ-গছনি নোহোৱা হ'লে পৃথিৱীত বাৰমাহে কিয় বানপানী হ'ব?
- ⇨ জধে-মধে গছ-গছনি কাটিলে আমাৰ কেনেধৰণৰ ক্ষতি হ'ব পাৰে, লিখা।

**ছাত্ৰ-ছাত্ৰীৰ বাবে অনুশীলনী ঃ**

- ⇨ চৰাই-চিৰিকটিয়ে পৰিৱেশ সংৰক্ষণত কেনেদৰে সহায় কৰে লিখা।
- ⇨ বিদ্যালয়ৰ চৌপাশ স্বাস্থ্যসন্মত আৰু সেউজীয়া কৰি ৰাখিবলৈ তুমি কি কৰিবা?
- ⇨ গৰমৰ বন্ধত তুমি কি কি কৰিলা লিখা।
- ⇨ তোমাৰ অঞ্চল বা বাহিৰত দেখা মেলা বা উৎসৱৰ এটি বৰ্ণনা তোমাৰ ভাষাত লিখা।
- ⇨ তুমি বিদ্যালয় খোলাৰ দিনত কৰা কাম আৰু বিদ্যালয় বন্ধৰ দিনত কৰা কামৰ এখন তালিকা প্ৰস্তুত কৰা।

**প্ৰসঙ্গ টোকা ঃ**

- ⇨ পাঠ্যপুথি - নতুন পাঠ।
- ⇨ TESS INDIA - মডিয়ুল।
- ⇨ অসমীয়া ভাষা শিক্ষণ পদ্ধতি - মদন শৰ্মা।
- ⇨ চন্দ্ৰকান্ত অভিধান, হেমকোষ অভিধান।

***